REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

..........

Date : 17-05-2012
Time : 0850 HOURS

ASSAMESE NEWS BULLETIN
HEADLINES

১। ৰাজ্যৰ বিদ্যুৎ পৰিস্থিতি উন্নত কৰাৰ বাবে বিদ্যুৎ বিতৰণ ব্যৱস্থাটোক ব্যক্তিগতকৰণৰ বাবে ৰাজ্য চৰকাৰৰ বিবেচনাৰ সম্ভাৱনা।

২। টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ নিযুক্তিৰ প্ৰথমখন তালিকা প্ৰকাশ।

৩। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ ওপৰেদি পাৰ হৈ যোৱা প্ৰচণ্ড ধুমুহাত বিস্তৰ ক্ষতিসাধন।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানচৰ বিৰুদ্ধে কলকাতা নাইট ৰাইডাৰ্ছৰ ৩২ ৰাণত জয়লাভ।

oooooooo

অসম চৰকাৰে ৰাজ্যখনত বিদ্যুৎ পৰিস্থিতিটো অধিক উন্নত কৰাৰ উদ্দেশ্যে অতি সোনকালে বিদ্যুৎ খণ্ডত দ্বিতীয় পৰ্যায়ৰ সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰিব। কালি গুৱাহাটীত শক্তি মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈ এখন সংবাদ মেলত এই কথা ঘোষণা কৰে। তেওঁ কয় যে ৰাজ্যখনত বিদ্যুৎ ব্যৱস্থাটো অধিক উন্নত কৰাৰ উদ্দেশ্যে বিদ্যুৎ উৎপাদন, সৰবৰাহ আৰু বিতৰণ ব্যৱস্থাৰ পুনৰ গঠনৰ বাবে এই দ্বিতীয় পৰ্যায়ৰ সংস্কাৰ সাধনৰ দিহা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে আৰু প্ৰকাশ কৰে যে ৰাজ্যৰ বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ অংশ হিচাপে প্ৰয়োজন হ'লে বিদ্যুৎ বিতৰণ ব্যৱস্থাটো ব্যক্তিগতকৰণৰ বাবেও ৰাজ্য চৰকাৰে বিবেচনা কৰিব পাৰে। তেওঁ লগতে কয় যে ৰাজ্যত বিদ্যুৎ খণ্ডৰ উন্নয়ন আৰু জনসাধাৰণে বিদ্যুতৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ৰাজ্যখনক বিদ্যুতৰ ক্ষেত্ৰত স্বাৱলম্বী হ'ব পৰাকৈ কেতবোৰ বিশেষ নীতি গ্ৰহণ কৰা হৈছে। শ্ৰীবৰদলৈয়ে ঘোষণা কৰিছে যে ২০১৩ চনৰ ভিতৰত বঙাইগাঁৱৰ তাপ বিদুৎ প্ৰকল্পৰ প্ৰথমটো গোট অহা বছৰ কাৰ্যক্ষম হৈ উঠিব আৰু ইয়াৰ পৰা ৰাজ্যখনে অতিৰিক্তভাৱে প্ৰায় ৬০০ মেগাৱাট বিদ্যুৎ লাভ কৰিব পাৰিব যাৰ জৰিয়তে অসমত বিদ্যুৎ যোগান ব্যৱস্থাটোৰ অধিক উন্নতি ঘটিব।

oooooooo

ৰাজ্যখনত অনুষ্ঠিত হোৱা শিক্ষকৰ যোগ্যতা নিৰূপণ পৰীক্ষা চমুকৈ টে'ট উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ নিযুক্তিৰ প্ৰথমখন তালিকা কালি সন্ধিয়া ঘোষণা কৰা হৈছে। এই তালিকাৰ ভিত্তিত ৰাজ্যখনৰ বিভিন্ন জিলাত খালী হৈ থকা বিদ্যালয়সমূহৰ বাবে ২৬ হাজাৰ এশ প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি দিয়া। ইয়াৰ ভিতৰত ১৮ হাজাৰ ২৯২ জন প্ৰাৰ্থীক নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বাবে আৰু ২ হাজাৰ ১২০ জন প্ৰাৰ্থীক উচ্চ প্ৰাথমিক বিজ্ঞান শাখাত নিযুক্তি দিয়া হ'ব। এই প্ৰাৰ্থীসকলে অহা ২০ মে'ত গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত হবলগীয়া এক বিশেষ অনুষ্ঠানত নিজৰ নিযুক্তি-পত্ৰ লাভ কৰিব বুলি শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

oooooooo

বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শেহতীয়াকৈ বৃদ্ধি পোৱা মধুমেহ ৰোগ ৰোধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ডিব্ৰুগড় জিলাকে ধৰি দেশৰ ৬ খন জিলাত ছাত্ৰ-ছাত্ৰীৰ মাজত মধুমেহ ৰোগ পৰীক্ষা কৰাৰ আঁচনি আৰম্ভ কৰিছে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী গোলাম নবী

আজাদে কালি ৰাজ্যসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে - বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী মাজত দ্বিতীয় পৰ্য্যায়ৰ মধুমেহ ৰোগ বৃদ্ধি পাইছে। অপুষ্টিকৰ খাদ্য, মেদবহুলতা আৰু নিয়মীয়া ব্যায়মৰ অভাৱতে মধুমেহ ৰোগ বৃদ্ধি পোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে - এই আঁচনিখন কাৰ্যকৰী কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৬ খন জিলালৈ প্ৰয়োজনীয় পুঁজি ইতিমধ্যে মুকলি কৰি দিছে।

০০০০০০০০

মেঘালয়, মণিপুৰ আৰু ত্ৰিপুৰাত পৃথক পৃথক উচ্চ ন্যায়ালয় স্থাপন সম্পৰ্কীয় বিধেয়কখন সংসদত গৃহীত হৈছে। উত্তৰ পূৰ্বাঞ্চল আৰু অন্যান্য আইন সম্বন্ধীয় এই সংশোধনী বিধেয়কখন কালি ৰাজ্যসভাত মৌখিক ভোটত গৃহীত হয়। লোকসভাত এই বিধেয়কখন ইতিমধ্যে গৃহীত হৈছে। গৃহমন্ত্ৰী পি চিদাম্বৰমে বিধেয়ক সম্পৰ্কীয় এক আলোচনাৰ উত্তৰ দি কালি ৰাজ্যসভাত কয় যে – এই তিনিখন ৰাজ্যত পৃথক উচ্চ ন্যায়ালয় স্থাপনৰ ক্ষেত্ৰত ৰাইজৰ দীৰ্ঘদিনীয়া দাবীতো প্ৰয়োজনীয় আন্তঃগাঁঠনি আৰু গৃহ আদি সাজু হৈ উঠা নাছিল বাবেই ইমানদিনে আগবাঢ়িব পৰা নাছিল।

০০০০০০০০

গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ কেতবোৰ অঞ্চলৰ উপৰেদি যোৱা নিশা পাৰ হৈ যোৱা প্ৰচণ্ড বা-মাৰলিৰ ফলত বিভিন্ন ঠাইত বিস্তৰ ক্ষতি হোৱা বুলি জানিব বাতৰি পোৱা গৈছে। যোৱা নিশা অঞ্চলটোত উপৰেদি পাৰ হৈ যোৱা এই বা-মাৰলি জাকত বিশেষ কৈ গুৱাহাটী মহানগৰীৰ দাঁতিকাষৰীয়া কমলপুৰ, ৰঙিয়া, পুঠীমাৰি, বৰপেটা জিলাৰ কলগাজিয়া, মন্দিয়া, কয়াকুচি, শৰ্থেবাৰী অঞ্চলত শতাধিক ঘৰদুৱাৰ বংহ হোৱাৰ লগতে বৃহৎ সংখ্যক গছ-গছনি ভাঙি পৰিছে। কেতবোৰ অঞ্চলত গছ উভালি পৰাত যোৱা নিশাৰে পৰা বিদ্যুৎ আৰু টেলিসংযোগ ব্যৱস্থা বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু ৰাস্তা ঘাটত বৃহৎ বৃহৎ গছ পৰি থকাত যাতায়ত ব্যৱস্থাও বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। গুৱাহাটী মহানগৰীত প্ৰায়বোৰ অঞ্চলতেই যোৱানিশাৰে পৰা বিদ্যুৎ সংযোগ ব্যাহত হৈ থকাত স্বাভাৱিক জীৱন যাত্ৰাত কিছু পৰিমাণে ব্যাহত হৈছে।

আনহাতে বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগজাননী অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰায়বোৰ ঠাইতে বতৰ ঘাইকৈ আকাশ মেঘাচ্ছন্ন হৈ থাকি কেতবোৰ অঞ্চলত দুই এজক দুমুহা গাজনীৰে দুই-এজাক মজলীয়া পৰা ধাৰাষাৰ ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত কোনো অঞ্চলৰ উপৰেদি ঘণ্টাত ৫০ কিলোমিটাৰ বেগেৰে এজাক ধুমুহা বতাহ পাৰ হৈ যাব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অঞ্চলটোৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী চেলছিয়াছৰ আশেপাশে থকাৰ সম্ভাৱনা আছে।

০০০০০০০০

নিখিল ৰাভা জাতীয় পৰিষদ আৰু আৰছুৱে আহ্বান জনোৱা ১২ ঘণ্টীয়া গোৱালপাৰা জিলা বন্ধৰ প্ৰভাৱ আজি পুৱাৰ ভাগত দুধনৈকে ধৰি জিলাখনৰ কোনো কোনো অঞ্চলত আংশিকভাৱে পৰিছে। উল্লেখযোগ্য যে যোৱা ১৩ মে'ত গোৱালপাৰা জিলাৰ অসম মেঘালয় সীমান্তৱৰ্তী দাওগিৰি অঞ্চলৰ শিক্ষক কামেশ্বৰ ৰাভা আৰু ছাত্ৰ নেতা সৰিত ৰাভাৰ অপহৰণৰ প্ৰতিবাদত এই বন্ধৰ আহ্বান জনোৱা হৈছে। এই সংক্ৰান্তত আলোচনা কৰিবৰ বাবে কালি গোৱালপাৰা জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত গাৰো, ৰাভা আৰু বড়ো সম্প্ৰদায়ৰ জাতীয় সংগঠনক লৈ এখন বৈঠক অনুষ্ঠিত হয়। সভাত জাতীয় সংগঠনকেইটাৰ বিষয়ববীয়াসকলে এই অপহৰণৰ কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে অপহৃত ব্যক্তি দুজনক বিনা চৰ্তে মুকলি কৰি দিবলৈ আহ্বান জনায়। সভাত উপায়ুক্তগৰাকীয়ে জিলা প্ৰশাসনে আৰক্ষীৰ সহযোগত অপহৰণকাৰীক কৰায়ত্ত কৰি ব্যক্তি দুগৰাকীৰ উদ্ধাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি থকাৰ কথাও সদৰি কৰে।

০০০০০০০০

অসম গণ পৰিষদৰ নৱম ত্ৰি-বাৰ্ষিক অধিৱেশন কালিৰে পৰা দুদিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ হৈছে। কালি আমবাৰীত ৰাজ্যিক মুখ্য কাৰ্য্যালয়ত বিদায়ী কাৰ্য্য নিৰ্বাহক সমিতিৰ অন্তিমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দলে যোৱা ৩ বছৰৰ বিভিন্ন কাৰ্য্যসূচীৰ লগতে দলৰ ভৱিষ্যত সম্পৰ্কত প্ৰস্তাৱ গ্ৰহণ কৰে। আজি অ গ পৰ মূল কেন্দ্ৰীয় অধিৱেশন অনুষ্ঠিত হ'ব। গুৱাহাটীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পুৱাৰে পৰা অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনত নতুনকৈ নিৰ্বাচিত কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে দায়িত্বভাৰ গ্ৰহণ কৰিব। অধিৱেশনৰ মুকলি সভাত মিজোৰামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জোৰাম থাংগা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ চমুকৈ আই পি এলত স্পট ফিক্সিং কেলেংকাৰী সংঘটিত হোৱা বুলি অভিযোগ

উত্থাপিত হোৱাৰ পাছত বি চি চি আয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। ঘটনাটোৰ সন্দৰ্ভত বি চি চি আয়ে গঠন কৰি দিয়া তদন্ত সমিটিয়ে কালি ফিক্সিং কেলেংকাৰীত অভিযুক্ত এজন খেলুৱৈৰ মন্তব্য গ্ৰহণ কৰে। বি চি চি আয়ে ১৫ দিনৰ ভিতৰত এই ঘটনাৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। আনহাতে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী অজয় মাকেনে ঘটনাটোৰ প্ৰকৃত কাৰণ তদন্ত কৰি উলিয়াবলৈ বি চি চি আইক আহ্বান জনাইছে।

oooooooo

বৰপেটাৰোডৰ পৰা নাজিৰা অভিমুখী এখন নৈশ বাছত যোৱানিশা ৰঙিয়াৰ ভাটকুছিত ছটা ডকাইতে পিষ্টল দেখুৱাই যাত্ৰীৰ পৰা নগদ ধন আৰু আ-অলংকাৰ কাঢ়ি নিয়ে। আমাৰ সংবাদদাতাই জনোৱা মতে নলবাৰীৰ গণেশ মন্দিৰত ডকাইতকেইটাই যাত্ৰীৰূপে গাড়ীত উঠি ৰঙিয়াৰ ভাটকুছিত সা-সামগ্ৰী লুট কৰে।

oooooooo

ভুৱনেশ্বৰত চলি থকা সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাত অসমে গ্ৰুপ পৰ্যায়ৰ পৰা বিদায় লৈছে। কালি অনুষ্ঠিত নিজৰ অন্তিমখন লীগ খেলত হাৰিয়ানাই অসমক ২-০ গ'লত পৰাজিত কৰে। অসমে গ্ৰুপৰ খেলত চিক্কিম আৰু দমন-দিউৰ বিৰুদ্ধে জয়ী হৈছিল যদিও কালিৰ খেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বিদায় লয়।

oooooooo

আই.পি.এল. ক্ৰিকেট টুৱেণ্টি টুৱেণ্ট ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত ক'লকতা নাইট ৰাইডাৰ্ছে মুম্বাই ইণ্ডিয়ানছক ৩২ ৰাণত পৰাজিত কৰে। এই জয়ৰ ফলত কলকতা দলটোৱে ১৫ খন খেলৰ পৰা ১৯ পইণ্ট লাভ কৰি তালিকাত দ্বিতীয় স্থানত থকাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছে সম সংখ্যক খেলৰ পৰা ১৮ পইণ্টেৰে তৃতীয় স্থানত আছে।

আজি অনুষ্ঠিত হবলগীয়া প্ৰথমখন খেলত কিংছ ইলেভেন পাঞ্জাৱে চেন্নাই চুপাৰ কিংছৰ বিৰুদ্ধে আৰু দ্বিতীয়খন খেলত দিল্লী ডেয়াৰ ডেভিলছে ৰয়েল চেলঞ্জাৰ্ছ বাংগালোৰৰ বিৰুদ্ধে খেলিব।

oooooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে আজি ভিন ভিন বাতৰিক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে পাকিস্তানী চোৰাংচোৰা সংস্থাই সন্ত্ৰাসবাদী সংগঠন তালিবানে - যি কোনো কোনো মুহূৰ্তত তালিবানে আক্ৰমণ কৰিব পাৰে ভাৰত-পাকিস্তান সীমান্ত ৱাঘা অঞ্চল শিৰোনামেৰে এটা বাতৰি আৰু টেটৰ বাচনি চুড়ান্ত তালিকা ঘোষণা কৰা বাতৰি প্ৰথম পৃষ্ঠাৰ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। আজি দৈনিক বাতৰি কাকতে ৰাজ্য খনত যোৱা ২৪ ঘণ্টাত ধুমুহাই সৃষ্টি কৰা তাণ্ডৱৰ বাতৰি - মাকৰ ঘৰৰ পৰা উৰভতিছে বৰদৈচিলা, ধুমুহাৰ তাণ্ডৱত ৰাজ্যত বি বস্ত সহস্ৰাধিক ঘৰবাৰি শিৰোনামেৰে ৰঙীন আলোকচিত্ৰসহ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে টেটৰ চুড়ান্ত তালিকা প্ৰকাশ কৰা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। কাকতখনে ইংলেণ্ডত বানপানীৰ বাবে এজাক নিথৰুৱা ফেঁচাই এটা ডালত আশ্ৰয়লোৱা এখন ৰঙীন আলোকচিত্ৰ প্ৰথম পৃষ্ঠাত চকুত লগাকৈ পৰিবেশন কৰিছে। অগ্ৰদূত কাকতে ৰাজ্যখনৰ পৰৱৰ্তীমুখ্যমন্ত্ৰীৰ সম্পৰ্কত একাংশ সংবাদমাধ্যমত চলিথকা এটা বাতিৰ সম্পৰ্কত কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধীয়ে তৰুণ গগৈয়ে মুখ্যমন্ত্ৰী হৈ ৰব বুলি কৰা এটা মন্তব্য প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি হিচাপে ছপা কৰিছে।

অসমীয়া খবৰ কাকতে যোৰহাটত কালি দুজন ভাতৃক কেইজনমান লোকে শিৰচ্ছেদ কৰা এটা লোমৰ্ষক ঘটনাক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে পৰিবেশন কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰধান বাতৰিৰ এক চমু অৱলোকন।

oooooooo

**(সমাপ্ত)**